

# শৈক্ষিক দিনপঞ্জী

## অসম জাতীয় বিদ্যালয়
## অষ্টাবিংশতিতম বৰ্ষ




কৰ্ম মোৰ সংস্কৃতি

## ২০২১-২২ শিক্ষাবৰ্ষ

# শৈক্ষিক দিনপঞ্জী

## অষ্টাবিংশতিতম বৰ্ষ

## শিক্ষাবৰ্ষ ২০২১-২২

**অসম জাতীয় বিদ্যালয়**

নুনমাটি, গুৱাহাটী-৭৮১০২০

# অসম জাতীয় বিদ্যালয়

## শৈক্ষিক দিনপঞ্জী

**বিষয়সূচী** **পৃষ্ঠা**


- জাননী আৰু অন্যান্য টোকা ..... ২
- বন্ধৰ তালিকা ..... ৪
- পালন কৰিবলগীয়া দিৱস আৰু অনুষ্ঠান ..... ৫
- কিছুমান বিশেষ মন কৰিবলগীয়া কথা ..... ৬
- স্কুলবেগৰ ওজন সম্পৰ্কীয় নিৰ্দেশনা ..... ১১
- বিশেষ নিয়মাৱলী ..... ১২
- প্ৰৱেশদ্বাৰৰ জনসম্পৰ্কৰক্ষী কোঠা ..... ১২
- বিদ্যালয়ৰ টেলিফ'ন সেৱা ..... ১২
- এপ্ৰিল মাহৰ কাৰ্য্যসূচী ..... ১৩
- মে' মাহৰ কাৰ্য্যসূচী ..... ১৪
- জুন মাহৰ কাৰ্য্যসূচী ..... ১৫
- জুলাই মাহৰ কাৰ্য্যসূচী ..... ১৬
- আগষ্ট মাহৰ কাৰ্য্যসূচী ..... ১৭
- ছেপ্টেম্বৰ মাহৰ কাৰ্য্যসূচী ..... ১৯
- অক্টোবৰ মাহৰ কাৰ্য্যসূচী ..... ২০
- নৱেম্বৰ মাহৰ কাৰ্য্যসূচী ..... ২২
- ডিছেম্বৰ মাহৰ কাৰ্য্যসূচী ..... ২৩
- জানুৱাৰী মাহৰ কাৰ্য্যসূচী ..... ২৪
- ফেব্ৰুৱাৰী মাহৰ কাৰ্য্যসূচী ..... ২৬
- মাৰ্চ মাহৰ কাৰ্য্যসূচী ..... ২৭
- নামভৰ্তি নবীকৰণ, বছৰেকীয়া মাচুল জমা দিয়া, নতুন নামভৰ্তি আৰু কিতাপ-পত্ৰ সংগ্ৰহ কৰাৰ সময়সূচী ..... ৩০
- পৰৱৰ্তী শিক্ষাবৰ্ষৰ বাবে নতুন নামভৰ্তি আৰু প্ৰৱেশ পৰীক্ষা সম্পৰ্কীয় সময়সূচী ..... ৩১
- প্ৰৱেশ পৰীক্ষাৰ বিষয়ে ..... ৩৩
- প্ৰকল্পৰ সময়সূচী ..... ৩৪

# অসম জাতীয় বিদ্যালয়

## শৈক্ষিক দিনপঞ্জী

## জাননী আৰু অন্যান্য টোকা, ২০২১-২২ শিক্ষাবৰ্ষ

### বিদ্যালয়ৰ সময়সূচী (মূল প্ৰৱেশদ্বাৰত থকা ঘড়ীৰ সময় অনুসৰি)

| | | |
|---|---|---|
| ● অংকুৰ, প্ৰাক্-প্ৰাথমিক, ১ম শ্ৰেণী | : | পুৱা ৮:৩০ৰ পৰা ১১:৫৫ বজালৈ |
| ● ২য়-১২শ শ্ৰেণী | : | পুৱা ৮:৩০ৰ পৰা দুপৰীয়া ২:৩৫ বজালৈ অংকুৰ আৰু প্ৰাক্-প্ৰাথমিক শ্ৰেণীৰ বাবে শনিবাৰে বিদ্যালয় বন্ধ থাকে। |
| ● শনিবাৰে (১ম-১০ম) | : | পুৱা ৮:৩০ৰ পৰা পুৱা ১১:৫৫ বজালৈ |
| ● শনিবাৰে (একাদশ-দ্বাদশ) | : | পুৱা ৮:৩০ৰ পৰা দুপৰীয়া ২:৩৫ বজালৈ |
| ● অনুষ্ঠান, দিৱস উদ্‌যাপনৰ সময় | : | দিনপঞ্জীত উল্লেখ থকা অনুসৰি |
| ● শনিবাৰ হ'লে উদ্‌যাপনৰ সময় | : | পুৱা ১০:৩০ৰ পৰা দুপৰীয়া ১২:৩০ বজালৈ |
| ● সৰস্বতী পূজা উদ্‌যাপনৰ সময় | : | পুৱা ১০:০০ৰ পৰা বিয়লি ১:৩০ বজালৈ |
| ● বিজ্ঞান দিৱস উদ্‌যাপনৰ সময় | : | দিনৰ ১:০০ৰ পৰা বিয়লি ২:০০ বজালৈ |
| ● গীত-মাতৰ গধূলি, বঁটা বিতৰণ, বৃত্তি প্ৰদান অনুষ্ঠান | : | বিয়লি ৪:০০ৰ পৰা সন্ধিয়া ৯:০০ বজালৈ |
| ● অভিভাৱকৰ সৈতে সভা | : | দুপৰীয়া ১২:৩০ বজাত |
| ● পৰিচালনা সমিতিৰ সভাপতি, সচিব, অধ্যক্ষ, ৰেক্টৰ, শৈক্ষিক বিষয়াৰ সৈতে শিক্ষক-শিক্ষয়িত্ৰীৰ সভা | : | দুপৰীয়া ১২:৩০ বজাত |
| ● কাৰ্য্যালয়ত মাচুল জমা দিয়াৰ সময় | : | পুৱা ৯:০০ৰ পৰা দুপৰীয়া ১:০০ বজালৈ (মাহৰ ১ তাৰিখৰ পৰা ১৫ তাৰিখলৈ) পুৱা ৯:০০ৰ পৰা ১০:০০ বজালৈ (১৫ তাৰিখৰ পিছত) |
| ● অভিভাৱকে অধ্যক্ষক লগ ধৰাৰ সময় | : | পুৱা ৯:০০ৰ পৰা ৯:৩০ বজালৈ বিয়লি ২:৩০ৰ পৰা ৩:০০ বজালৈ (সোমবাৰৰ পৰা শুক্ৰবাৰলৈ) |
| ● উপাধ্যক্ষক লগ ধৰাৰ সময় | : | পুৱা ১১:৫৫ৰ পৰা দুপৰীয়া ১২:১৫ বজালৈ |

| | |
|---|---|
| • শিক্ষক-শিক্ষয়িত্ৰীক লগ ধৰাৰ সময় | : পুৱা ১১:৫৫ৰ পৰা দুপৰীয়া ১২:১৫ বজালৈ (লগ ধৰাৰ বিষয়ে যোগাযোগৰ বহীত আগতীয়াকৈ জনোৱাটো বাঞ্ছনীয়।) |
| • বিদ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী উপস্থিত হোৱাৰ সময় | : পুৱা ৮:০০ বজা |
| • বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত হোৱাৰ সময় | : পুৱা ৮:২০ বজা |
| • **বিদ্যালয়ৰ প্ৰৱেশদ্বাৰ বন্ধ কৰাৰ সময়** | **: পুৱা ৮:৩০ বজা** |
| • পুৱাৰ সমাৱেশ | : পুৱা ৮:৩০ৰ পৰা ৮:৪০ বজালৈ |
| • ছয়মাহিলি আৰু বছৰেকীয়া পৰীক্ষা | : পুৱা ৯:০০ৰ পৰা দুপৰীয়া ১২:০০ বজালৈ<br>: দুপৰীয়া ১২:৩০ৰ পৰা বিয়লি ২:৩০ / ৩:৩০ বজালৈ |
| • গোট পৰীক্ষা | : প্ৰথম পিৰিয়ডত অনুষ্ঠিত হ'ব |
| • নামভৰ্তিৰ প্ৰৱেশ পৰীক্ষাৰ সময় | : আগবেলা ১১:০০ৰ পৰা দুপৰীয়া ২:০০ বজালৈ |

## বাছৰ সময়সূচী

| | |
|---|---|
| • **বিদ্যালয় আহি পোৱাৰ সময়** | : পুৱা ৮:২০ বজা |
| • **বিদ্যালয় এৰাৰ সময়** সোমবাৰৰ পৰা শুক্ৰবাৰলৈ | : দুপৰীয়া ১২:১০ বজা (অংকুৰ, প্ৰাক্-প্ৰাথমিক আৰু প্ৰথম শ্ৰেণীৰ বাবে)<br>বিয়লি ২:৪৫ বজা (অন্যান্য শ্ৰেণীৰ বাবে) |
| • শনিবাৰ | : দুপৰীয়া ১২:১০ বজা |
| • বিশিষ্ট ব্যক্তিৰ সৈতে কথোপকথনৰ দিনত (শনিবাৰ হ'লে) | : দুপৰীয়া ১২:৩০ বজা |
| • বিজ্ঞান দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা বিজ্ঞানভিত্তিক প্ৰতিযোগিতা আৰু প্ৰদৰ্শনীৰ দিনা | : বিয়লি ৩:৩০ বজা |
| • বিদ্যালয় সপ্তাহৰ সময়ত (শনিবাৰ হ'লেও) | : বিয়লি ২:৪৫ বজা |
| • সৰস্বতী পূজাৰ দিনা | : বিয়লি ২:০০ বজা |

# বন্ধৰ তালিকা, ২০২১-২২

| | | |
|---|---|---|
| ১৪-১৮ এপ্রিল, বুধ-দেওঁ | : | ৰঙালী বিহু (৫) (শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষাৰ্থীৰ বাবে) |
| ১৪-১৭ এপ্রিল, বুধ-শনি | : | ৰঙালী বিহু (৪) (কৰ্মচাৰীৰ বাবে) |
| ১ মে', শনি | : | মে' দিৱস (১) |
| ১৪ মে', শুক্ৰ | : | ঈদ-উল-ফিটৰ (১) |
| ৭-৩১ জুলাই | : | গৰমৰ বন্ধ (২৫) |
| ২০-২৯ জুলাই | : | কাৰ্য্যালয় বন্ধ |
| ২১ জুলাই, বুধ | : | ঈদ-উজ্-জুহা (১) |
| ৩০ আগষ্ট, সোম | : | জন্মাষ্টমী (১) |
| ৮ ছেপ্টেম্বৰ, বুধ | : | শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি (১) |
| ১৭ ছেপ্টেম্বৰ, শুক্ৰ | : | বিশ্বকৰ্মা পূজা (১) |
| ২ অক্ট'বৰ, শনি | : | গান্ধী জয়ন্তী (১) |
| ১১-১৬ অক্ট'বৰ, সোম-শনি | : | দুৰ্গা পূজা (৬) |
| ১৮ অক্ট'বৰ, সোম | : | কাতি বিহু (১) |
| ২০ অক্ট'বৰ, বুধ | : | লক্ষ্মী পূজা (১) |
| ১ নৱেম্বৰ, সোম | : | বিদ্যালয় চৌহদ পৰিপাটিকৰণৰ বাবে বন্ধ (১) |
| ৪ নৱেম্বৰ, বৃহস্পতি | : | কালী পূজা (১) |
| ২৫ ডিছেম্বৰ, শনি | : | বৰদিনৰ বন্ধ (১) |
| ১৩, ১৪, ১৫ জানুৱাৰী, বৃহস্পতি-শনি | : | ভোগালী বিহু (৩) |
| ১ মাৰ্চ, মঙল | : | শিৱৰাত্ৰি (১) |
| ৪-৩১ মাৰ্চ | : | পৰৱৰ্তী শিক্ষাবৰ্ষৰ প্ৰস্তুতিৰ বাবে বন্ধ (ছাত্ৰ-ছাত্ৰীৰ বাবে) |
| ১৮-২৯ মাৰ্চ | : | পৰৱৰ্তী শিক্ষাবৰ্ষৰ প্ৰস্তুতিৰ বাবে বন্ধ (শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে) |
| ২৪-২৯ মাৰ্চ | : | কাৰ্য্যালয় বন্ধ |
| ১৮-১৯ মাৰ্চ, শুক্ৰ-শনি | : | ফাকুৱা আৰু দৌলযাত্ৰা (২) |

গৰমৰ বন্ধৰ শেষৰ দুদিন আৰু মাৰ্চ মাহৰ শেষৰ দুদিন শ্ৰেণীকোঠা পৰিপাটিকৰণৰ বাবে ৪ৰ্থ বৰ্গৰ কৰ্মচাৰী বিদ্যালয়ত উপস্থিত থকাটো বাধ্যতামূলক। অধ্যক্ষ আৰু উপাধ্যক্ষই বিদ্যালয়ত উপস্থিত থাকি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব। কাৰ্য্যালয় বন্ধ থকা দিনতো বিশেষ প্ৰয়োজনত কৰ্মচাৰী বা শিক্ষক-শিক্ষয়িত্ৰী বিদ্যালয়লৈ আহি কৰ্তব্য সম্পাদন কৰিব। সৰস্বতী পূজা আৰু প্ৰতিষ্ঠা দিৱসত কাৰ্য্যালয় বন্ধ থাকিব।

**শেষ পৃষ্ঠাৰ কেলেণ্ডাৰত থকা দেওবাৰৰ লগতে ৰঙা ৰঙেৰে চিহ্নিত আন সকলো দিনতেই বিদ্যালয়ৰ পাঠদান বন্ধ থাকিব।**

# পালন কৰিবলগীয়া দিৱস আৰু অনুষ্ঠান, ২০২১-২২

| | | |
|---|---|---|
| ১২ এপ্রিল, সোম | : | লক্ষ্মীনাথ বেজবৰুৱাৰ স্মৃতিত সাহিত্য দিৱস |
| ২০ জুন, দেওঁ | : | বিষ্ণু ৰাভা দিৱস |
| ১৪ আগষ্ট, শনি | : | বিজ্ঞানভিত্তিক প্রতিযোগিতা আৰু প্রদর্শনী |
| ১৫ আগষ্ট, দেওঁ | : | স্বাধীনতা দিৱস |
| ২৭ আগষ্ট, শুক্র | : | মহাপুৰুষ দিৱস |
| ৫ ছেপ্টেম্বৰ, দেওঁ | : | শিক্ষক দিৱস |
| ৩০ অক্ট'বৰ, শনি | : | গীত-মাতৰ গধূলি, বৃত্তি আৰু বঁটা বিতৰণ, অজাবিৰ অন্যতম প্রতিষ্ঠাপক ভবেন কুমাৰ বৰা, শিক্ষক ত্রিদিৱ ভট্টাচার্য্য আৰু প্রয়াত আন শিক্ষার্থী, কর্মচাৰীৰ সোঁৱৰণত শ্রদ্ধাঞ্জলি অনুষ্ঠান। (আবেলি ৪:০০ বজাৰ পৰা ৯:০০ বজালৈ) |
| ৩১ অক্ট'বৰ, দেওঁ | : | বিশেষ অনুষ্ঠান। (আবেলি ৫:০০ বজাৰ পৰা ৯:০০ বজালৈ) |
| ৫ নৱেম্বৰ, শুক্র | : | ভূপেন হাজৰিকা দিৱস |
| ১৪ নৱেম্বৰ, দেওঁ | : | শিশু দিৱস |
| ২৪ নৱেম্বৰ, বুধ | : | লাচিত দিৱস (অসমৰ জাতীয় বীৰ-বীৰাংগনা দিৱস হিচাপে পালন) |
| ১ জানুৱাৰী, শনি | : | প্রতিষ্ঠা দিৱস |
| ১৭ জানুৱাৰী, সোম | : | শিল্পী দিৱস |
| ২৬ জানুৱাৰী, বুধ | : | গণৰাজ্য দিৱস |
| ৫ ফেব্রুৱাৰী, শনি | : | সৰস্বতী পূজা |
| ২৮ ফেব্রুৱাৰী, সোম | : | বিজ্ঞান দিৱস |

(বছৰেকীয়া পৰীক্ষাৰ পৰিপ্রেক্ষিতত অনুষ্টুপীয়াকৈ পালন)

# কিছুমান বিশেষ মন কৰিবলগীয়া কথা

১। বিশেষ পৰিস্থিতি সাপেক্ষে বন্ধৰ তালিকাৰ সালসলনি হ'ব পাৰে।

২। **বিদ্যালয়ত পালন কৰা দিৱস আৰু অনুষ্ঠানত শিক্ষাৰ্থীয়ে বিদ্যালয়ৰ ইউনিফৰ্ম পিন্ধাটো বাধ্যতামূলক।**

৩। বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস, সৰস্বতী পূজা, বিজ্ঞান দিৱস, শিক্ষক দিৱস, গণৰাজ্য দিৱস, স্বাধীনতা দিৱস আৰু শিশু দিৱসৰ বাহিৰে আন দিৱসসমূহত অংকুৰ শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ বন্ধ থাকিব।

৪। বিশেষ পৰিস্থিতি সাপেক্ষে পালন কৰিবলগীয়া দিৱসৰ অগা-পিছা হ'ব পাৰে। দিৱসসমূহত ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়লৈ কেৱল টিফিন আৰু খোৱা পানী আনিলেই হ'ব। প্ৰতিষ্ঠা দিৱসৰ বাহিৰে আন দিৱস তথা অন্যান্য কাৰ্য্যসূচী শনিবাৰত হ'লে সহ-পাঠ্যক্ৰম বিষয়ৰ শ্ৰেণী অনুষ্ঠিত হ'ব আৰু ছাত্ৰ-ছাত্ৰীসকলে প্ৰয়োজনীয় সামগ্ৰী / সঁজুলি লগত আনিব লাগিব।

৫। পঞ্চম শ্ৰেণীৰ পৰা ওপৰৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক ক্ষেত্ৰভিত্তিক অধ্যয়নৰ বাবে বিশেষ ভ্ৰমণলৈ নিয়া কাৰ্য্যসূচী হাতত লোৱা হ'ব পাৰে।

৬। **মাচুল জমা দিয়া সম্পৰ্কে :** প্ৰতি মাহৰ ১০ তাৰিখৰ ভিতৰত মাহিলি মাচুল জমা নিদিলে পৰৱৰ্তী দিনৰ পৰা **প্ৰতিটো দিনৰ বাবদ পাঁচ টকাকৈ জৰিমনা ভৰিব লাগিব।** একেটা পৰিয়ালৰ একাধিক ছাত্ৰ-ছাত্ৰী থাকিলে এই সময়সীমা জৰিমনা নোহোৱাকৈ ১৫ তাৰিখলৈ শিথিল হ'ব। online payment ৰ ব্যৱস্থা আছে।

৭। **ফেব্ৰুৱাৰী মাহত মাৰ্চ মাহৰো মাচুল একেলগে জমা দিব লাগিব।**

৮। **বাছ সেৱাৰো মাচুল একেলগে জমা দিব লাগিব।**

৯। **মাচুল আদায় দিয়া নাথাকিলে বছৰেকীয়া পৰীক্ষাৰ ফলাফল দিয়া নহ'ব। বছৰেকীয়া পৰীক্ষাৰ ফলাফল ঘোষণাৰ দিনা কোনো শ্ৰেণীৰে বছৰেকীয়া অথবা মাহিলি মাচুল জমা লোৱা নহয়। অনাদায় মাচুল বছৰেকীয়া পৰীক্ষাৰ ফলাফল ঘোষণাৰ দুদিন (২ দিন) আগতে জমা দিয়া থাকিলেহে পৰীক্ষাৰ ফলাফল নিৰ্ধাৰিত দিনত দিয়া হ'ব। এই ব্যৱস্থা বাছ সেৱা গ্ৰহণ কৰা শিক্ষাৰ্থীৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব।**

১০। **নামভৰ্তি :** অংকুৰত নামভৰ্তিৰ ক্ষেত্ৰত একেটা পৰিয়ালৰ দুটাতকৈ অধিক সন্তানৰ ক্ষেত্ৰত বিশেষ অগ্ৰাধিকাৰ দিয়া নহ'ব। ইতিমধ্যে অজাবিত পঢ়ি থকা ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত অভিভাৱকৰ দায়িত্ববোধ সন্তোষজনক বুলি প্ৰতিবেদন নাপালেও ভায়েক-ভনীয়েকৰ নামভৰ্তিত অগ্ৰাধিকাৰ দিয়া নহ'ব।

১১। **পৰীক্ষা :** গোটেই বছৰটোতে অংকুৰ আৰু প্ৰাক্-প্ৰাথমিকৰ কোনো পৰীক্ষা অনুষ্ঠিত নহয়। **ছয়মাহিলি আৰু বছৰেকীয়া পৰীক্ষাৰ অন্ততঃ ১০টা কৰ্ম-দিন আগৰ পৰা ঘৰৰ কাম আৰু প্ৰকল্পৰ কাম দিয়া নহ'ব।**

১২। **সহ-পাঠ্যক্ৰম :** ২০১২ শিক্ষাবৰ্ষৰ পৰা সহ-পাঠ্যক্ৰমৰ বিষয়সমূহৰ ক্ষেত্ৰত শিক্ষাৰ্থীসকলৰ বাবে ধাৰাবাহিক মূল্যায়নৰ ব্যৱস্থা কৰা হৈছে। আনহাতে সহ-পাঠ্যক্ৰমৰ বিভিন্ন বিষয়ৰ লিখিত পৰীক্ষা ছয়মাহিলি আৰু বছৰেকীয়া পৰীক্ষাৰ লগত অনুষ্ঠিত হ'ব। লিখিত পৰীক্ষা ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ হ'ব। ব্যাৱহাৰিক পৰীক্ষা অনুষ্ঠিত নহয়। শিক্ষাৰ্থীসকলৰ ধাৰাবাহিক মূল্যায়ন মূল্যাংকন পত্ৰত যোগ হ'ব।

১৩। ২য় শ্ৰেণীৰ পৰা ৫ম শ্ৰেণীলৈ শিক্ষাৰ্থীসকলে সহ-পাঠ্যক্ৰম বিষয় মাত্ৰ দুবাৰহে সলনি কৰাৰ সুযোগ পাব। প্ৰতিটো শিক্ষাবৰ্ষৰ মে' মাহ পৰ্য্যন্ত শিক্ষাৰ্থীসকলে সহ-পাঠ্যক্ৰম বিষয় সলনি কৰিব পাৰিব। ষষ্ঠ শ্ৰেণীৰ পৰা কোনো শিক্ষাৰ্থীয়ে সহ-পাঠ্যক্ৰম বিষয় সলনি কৰিব নোৱাৰিব।

১৪। **স্বাস্থ্য-পৰীক্ষা :** নিয়মীয়া স্বাস্থ্য পৰীক্ষাৰ সলনি প্ৰয়োজন সাপেক্ষে শিক্ষাৰ্থীৰ স্বাস্থ্য-পৰীক্ষাৰ ব্যৱস্থা কৰা হ'ব পাৰে।

১৫। **অভিভাৱকৰ সভা :** অভিভাৱকৰ সভাত অভিভাৱক / অভিভাৱিকা কোনোবা এগৰাকীৰ উপস্থিতি বাধ্যতামূলক। নিৰ্ধাৰিত সভাৰ উপৰিও অধ্যক্ষই প্ৰয়োজন অনুভৱ কৰিলে যি কোনো শ্ৰেণীৰ অভিভাৱকৰ অতিৰিক্ত সভা আহ্বান কৰিব পাৰে।

***অধ্যক্ষ, উপাধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী বা বিদ্যালয় কৰ্তৃপক্ষৰ ফালৰ পৰা দুবাৰকৈ মাতি পঠোৱাৰ পিছতো যিসকল অভিভাৱক-অভিভাৱিকাই নিৰ্ধাৰিত সময়মতে আহি সাক্ষাৎ নকৰে, অভিভাৱকৰ সভাত উপস্থিত নাথাকে তেনে অভিভাৱকৰ ল'ৰা-ছোৱালীক পৰৱৰ্তী শিক্ষাবৰ্ষত বিদ্যালয়ৰ নামভৰ্তিৰ নবীকৰণৰ সুবিধা দিয়া নহ'ব পাৰে। এই ক্ষেত্ৰত বিদ্যালয় কৰ্তৃপক্ষই লোৱা সিদ্ধান্তই চূড়ান্ত বিবেচিত হ'ব।***

১৬। **যোগাযোগৰ বহী :** ছাত্ৰ-ছাত্ৰীসকলৰ যি কোনো ধৰণৰ শৈক্ষিক সমস্যাৰ বিষয়ে অভিভাৱকসকলে 'যোগাযোগৰ বহী'ৰ জৰিয়তে শিক্ষক-শিক্ষয়িত্ৰীসকলক অনতিপলমে অৱগত কৰোৱাটো অতি প্ৰয়োজনীয়।

১৭। **শ্ৰেণীত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি :** শ্ৰেণীত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি কমেও নবৈ শতাংশ হ'ব লাগিব। অসুখ-বিসুখৰ ক্ষেত্ৰত চিকিৎসকৰ প্ৰমাণপত্ৰ **এসপ্তাহৰ ভিতৰত জমা** দিব লাগিব।

১৮। বিদ্যালয়ত উদ্‌যাপন কৰা বিভিন্ন দিৱস আৰু অনুষ্ঠান আদিত সকলো শিক্ষাৰ্থী উপস্থিত থকাটো বাধ্যতামূলক আৰু সক্ৰিয়ভাৱে অংশগ্ৰহণ

কৰাটো বাঞ্ছনীয়। বিদ্যালয়ত উদ্‌যাপন কৰা বিভিন্ন দিৱস আদিত কোনো শিক্ষাৰ্থী অনুমতি অবিহনে অনুপস্থিত থাকিলে নিম্নলিখিত ব্যৱস্থাসমূহ গ্ৰহণ কৰা হ'ব।

**ক) শৈক্ষিক বছৰৰ শেষত পৰীক্ষাসমূহৰ মুঠ প্ৰাপ্ত নম্বৰৰ পৰা নম্বৰ কৰ্তন কৰা হ'ব। প্ৰতিটো দিৱসৰ বাবে ৫ নম্বৰকৈ কৰ্তন কৰা হ'ব।**

**খ) পৰীক্ষাত প্ৰাপ্ত মূল্যাংকৰ ভিত্তিত বিভিন্ন বৃত্তি লাভ কৰিলেও বৃত্তি কৰ্তন কৰা হ'ব, যিহেতু বিদ্যালয়ত অনুষ্ঠিত হোৱা বিভিন্ন দিৱস আৰু অনুষ্ঠানসমূহ শিক্ষাৰেই এক অবিচ্ছেদ্য অংগ।**

**গ) কোনো শিক্ষাৰ্থী চিকিৎসাজনিত কাৰণত নাইবা অন্য কোনো বিশেষ অসুবিধাৰ বাবে অনুপস্থিত থাকিলে উপযুক্ত প্ৰমাণসহ এসপ্তাহৰ ভিতৰত অধ্যক্ষলৈ আবেদন কৰিব লাগিব।**

১৯। **সাজ-পোছাক :** ছাত্ৰ-ছাত্ৰীৰ সাজ-পোছাক পৰিষ্কাৰ আৰু পৰিপাটি হোৱাটো প্ৰয়োজন। শনিবৰীয়া শ্ৰেণী আৰু সৰস্বতী পূজাৰ বাহিৰে আন সকলো সময়তে ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ৰ নিৰ্ধাৰিত সাজ-পাৰ পিন্ধি অহাটো বাধ্যতামূলক। নৱম, দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে সোমবাৰৰ পৰা শনিবাৰলৈ বিদ্যালয়ৰ ইউনিফৰ্ম পিন্ধি অহাটো বাধ্যতামূলক। শীতৰ সময়ছোৱাত ছাত্ৰীসকলে দীঘল বগা মোজা আৰু বগা শ্লেকচ পিন্ধিব পাৰিব। বেলেগ ৰঙৰ শ্লেকচ পিন্ধিব নোৱাৰিব। এই সময়ছোৱাত পিন্ধা বনেট, টুপী বা মাফ্‌লাৰ চুৱেটাৰৰ ৰঙৰ হ'ব লাগিব। বেলেগ ৰঙৰ পিন্ধিব নোৱাৰিব।

অংকুৰ শ্ৰেণীৰ পৰা ষষ্ঠ শ্ৰেণীলৈকে ছাত্ৰসকলে **১ এপ্ৰিলৰ পৰা ৩১ অক্টোবৰলৈকে হাফ্‌পেণ্ট পিন্ধাটো বাধ্যতামূলক।** অৱশ্যে শিক্ষকৰ অনুমতি সাপেক্ষে শিক্ষাৰ্থীৰ শাৰীৰিক অৱয়বৰ প্ৰতি লক্ষ্য ৰাখি বিশেষ পৰিস্থিতি সাপেক্ষে ব্যতিক্ৰম হ'ব পাৰে। বছৰটোৰ বাকী সময়ছোৱাত তেওঁলোকে লংপেণ্ট পিন্ধিব পাৰিব। সপ্তম শ্ৰেণীৰ পৰা ছাত্ৰসকলে বছৰটোৰ সকলো সময়তে লংপেণ্ট পিন্ধিব। সকলো শিক্ষাৰ্থীয়ে সকলো সময়তে নিৰ্দ্দিষ্ট কৰি দিয়া ক'লা ৰঙৰ বেল্ট পৰিধান কৰাটো বাধ্যতামূলক।

২০। **কিতাপ-বহী সংগ্ৰহ :** গোটেই বছৰটো জুৰি মাজে মাজে প্ৰয়োজন হোৱাৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে বা তেওঁলোকৰ অভিভাৱকে নগদ ধনৰ বিনিময়ত কাৰ্য্যালয়ৰ পৰা বহী, কিতাপ আদি সংগ্ৰহ কৰিব পাৰিব।

২১। **চিকিৎসা ব্যয় :** বিদ্যালয় চৌহদত কোনো শিক্ষাৰ্থীৰ আকস্মিক অসুখ-বিসুখৰ প্ৰাথমিক চিকিৎসাৰ দায়িত্ব বিদ্যালয়ে ল'ব। কিন্তু পৰৱৰ্তী পৰীক্ষা-নিৰীক্ষা আৰু চিকিৎসাৰ দায়িত্ব অভিভাৱকৰ।

২২। **বাছ সেৰা** : নিয়মীয়া বাছ সেৰাৰ উপৰিও সৰস্বতী পূজাৰ দিনা, গীত-মাতৰ গধূলি অনুষ্ঠান আৰু বিশেষ অনুষ্ঠান শেষ হোৱাৰ পিছত বাছ সেৱা থাকিব। ছয়মাহিলি আৰু বছৰেকীয়া পৰীক্ষাৰ সময়ত বাছ সেৱা থাকিব। বছৰেকীয়া পৰীক্ষাৰ পিছত নৱম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষা, দশম শ্ৰেণীৰ প্ৰাক্-চূড়ান্ত পৰীক্ষা অনুষ্ঠিত হ'লে বাছ সেৱা থাকিব।

২৩। **আকস্মিকভাৱে ঘোষিত বন্ধ** : বিভিন্ন সংগঠনৰ দ্বাৰা ঘোষিত বন্ধৰ ক্ষেত্ৰত বিদ্যালয়ৰ বাছ নচলিলে শ্ৰেণীসমূহ বাতিল হ'ব।

২৪। **ছাত্ৰ-ছাত্ৰীৰ অৰ্ধ-ছুটীৰ ব্যৱস্থা নাই।** অসুখ-বিসুখ বা আন যি কোনো কাৰণত শ্ৰেণীত উপস্থিত নাথাকি মাথোঁ গোট পৰীক্ষা দিবলৈ অহাৰ ব্যৱস্থাও নাই।

২৫। **ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়লৈ ম'বাইল ফ'ন, কেমেৰা, পেন্ ড্ৰাইভ, কেলকুলেটৰ আদি আনিব নোৱাৰিব। অধ্যক্ষৰ অনুমতি অবিহনে তেনে সা-সামগ্ৰী বিদ্যালয়লৈ আনিলে সেইবোৰ সামগ্ৰী অতি কমেও এবছৰলৈ বিদ্যালয়ত ৰাখি থোৱা হ'ব।**

২৬। **গৃহ পৰিদৰ্শন** : বিদ্যালয়ৰ অংকুৰ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ এই সময়ছোৱাত মুঠ চাৰিবাৰ গৃহ পৰিদৰ্শন কৰা হয়। গৃহ পৰিদৰ্শন কৰিবলগীয়া শ্ৰেণীসমূহ : ১। অংকুৰ, ২। প্ৰথম শ্ৰেণী, ৩। ষষ্ঠ শ্ৰেণী আৰু ৪। দশম শ্ৰেণী।

এই ক্ষেত্ৰত কোনো শিক্ষাৰ্থীয়ে কোনো শ্ৰেণীত নতুনকৈ নামভৰ্তি কৰিলে তেওঁৰ ক্ষেত্ৰত বিশেষভাৱে গৃহ পৰিদৰ্শন কৰা হয়।

২৭। অংকুৰৰ পৰা দ্বাদশ শ্ৰেণীলৈ প্ৰতিটো বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীৰ দ্বাৰা প্ৰতি মাহৰ ১ তাৰিখে পাঠদানৰ অগ্ৰগতি সম্পৰ্কে বিভাগীয় মুৰব্বীৰ জৰিয়তে অধ্যক্ষলৈ মাহিলি প্ৰতিবেদন দাখিল কৰা হয়। পৰিচালনা সমিতিৰ সভাপতি/সচিবে এনে প্ৰতিবেদন নিয়মীয়াকৈ পুনৰীক্ষণ কৰে।

২৮। বিদ্যালয় পুথিভঁৰাল খোলাৰ সময় বিদ্যালয়ৰ নিয়মীয়া সময়ৰ সৈতে একে। অৱশ্যে শনিবাৰে দিনৰ ১:০০ বজালৈ খোলা থাকিব।

২৯। বছৰটোৰ বিভিন্ন পৰীক্ষাৰ বাবে নিৰ্ধাৰিত পাঠ্যসূচীসমূহ শিক্ষাৰ্থীক বিতৰণ কৰা হ'ব।

৩০। বছৰটোত প্ৰতিটো বিভাগৰ পৰা মাজে-সময়ে কনিষ্ঠ শিক্ষকৰ দ্বাৰা (উচ্চ শ্ৰেণীৰ শিক্ষাৰ্থীৰ) শ্ৰেণীত পাঠদান কৰোৱা হয়। বিভাগীয় মুৰব্বীসকলে এই সম্পৰ্কে উপাধ্যক্ষৰ লগত আলোচনা কৰি পৰিকল্পনা কৰিব।

৩১। নৱম আৰু দশম শ্ৰেণীৰ ভ্ৰমণ সম্পৰ্কীয় বিষয় যথা সময়ত আহ্বায়কে অধ্যক্ষৰ জৰিয়তে পৰিচালনা সমিতিলৈ প্ৰেৰণ কৰিব।

৩২। **ৰঙালী বিহুৰ বন্ধৰ শেষৰ দিনা, দুৰ্গা পূজাৰ বন্ধৰ শেষৰ দিনা, গৰমৰ বন্ধৰ শেষৰ দুদিন আৰু মাৰ্চ মাহৰ শেষৰ দুদিন শ্ৰেণীকোঠা পৰিপাটিকৰণৰ বাবে ৪ৰ্থ বৰ্গৰ কৰ্মচাৰী বিদ্যালয়ত উপস্থিত থকাটো বাধ্যতামূলক। পুৱা ৮:৩০ বজাৰপৰা বিয়লি ৩:৩০ বজালৈ। উচ্চবৰ্গৰ সহায়ক উপস্থিত থাকি তদাৰক কৰিব।**

৩৩। বিদ্যালয়ৰ বিভিন্ন কাৰ্য্যসূচী দেওবাৰ আৰু অন্য বন্ধৰ দিনত থাকিলে সকলো শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী বিদ্যালয়ত নিয়মীয়া সময়ত উপস্থিত থকাটো বাধ্যতামূলক।

৩৪। শনিবাৰে তৃতীয় আৰু চতুৰ্থ পিৰিয়ডত সাধাৰণ জ্ঞান, মানসিক সামৰ্থ্য বিকাশ, সাহিত্য চ'ৰা, বিজ্ঞান চ'ৰা, তৰ্ক সভা, কুইজ আদি ভিন ভিন বিষয়ৰ শ্ৰেণী অনুষ্ঠিত হয় (২য় শ্ৰেণীৰ পৰা ৯ম শ্ৰেণীলৈ)।

৩৫। সপ্তম শ্ৰেণীৰ বাবে অনুষ্ঠিত কম্পিউটাৰ বিজ্ঞানৰ শ্ৰেণীসমূহ শনিবাৰে (তৃতীয় বা চতুৰ্থ পিৰিয়ডত) অনুষ্ঠিত হ'ব।

৩৬। অষ্টম শ্ৰেণীৰ বাবে অনুষ্ঠিত কম্পিউটাৰ বিজ্ঞানৰ শ্ৰেণীসমূহ অষ্টম শ্ৰেণীৰ নিয়মীয়া ৰুটিনৰ অন্তৰ্ভুক্ত হ'ব।

৩৭। শিক্ষক প্ৰশিক্ষণ, অসম জাতীয় বিদ্যালয়ৰ আৰ্হিত প্ৰতিষ্ঠিত বিদ্যালয়সমূহৰ পৰিদৰ্শন আৰু এই বিদ্যালয়সমূহৰ প্ৰতিনিধিক আদৰণি আদি কাৰ্য্য পৰিচালনাৰ বাবে এগৰাকী শিক্ষক সমন্বয়কৰ তত্ত্বাৱধানত এটি সুকীয়া কোঠাৰ ব্যৱস্থা আছে।

৩৮। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকসকলে শিক্ষক-শিক্ষয়িত্ৰীক সাক্ষাৎ কৰিবলৈ সুবিধা হোৱাকৈ এগৰাকী শিক্ষক সমন্বয়কৰ তত্ত্বাৱধানত আন এটি কোঠাৰ ব্যৱস্থা আছে।

৩৯। বিশেষ পৰিস্থিতিত শিক্ষাৰ্থীক বিদ্যালয়ৰ পৰা শ্ৰেণী চলি থকা সময়ত লৈ যাবলৈ অভিভাৱক-অভিভাৱিকাক বিদ্যালয়ৰ পৰা মাতিলে, সংশ্লিষ্ট অভিভাৱক-অভিভাৱিকাই আহি অজাবিৰ কাৰ্য্যালয়ত খবৰ কৰিব। কাৰ্য্যালয়ে এই বিষয়ত যাৱতীয় ব্যৱস্থাৱলী গ্ৰহণ কৰিব। সংশ্লিষ্ট শিক্ষক-শিক্ষয়িত্ৰীয়ে এনে ক্ষেত্ৰত কাৰ্য্যালয়ত জনাই থ'ব।

৪০। নৱম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ ছেবাত নাম পঞ্জীয়ন সম্পৰ্কীয় কথা জাননী যোগে জনোৱা হ'ব। পঞ্জীয়ন প্ৰপত্ৰ পূৰ কৰোঁতে জাতিগত প্ৰমাণপত্ৰ (Caste certificate)ৰ ফট'ষ্টেট ক'পি জমা দিব লাগিব।

৪১। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বাবে প্ৰপত্ৰ পূৰণ সম্পৰ্কীয় কথা জাননী যোগে জনোৱা হ'ব।

৪২। শিক্ষাৰ্থীয়ে বিদ্যালয়ৰ ইউনিফৰ্ম পিন্ধি উঠা ফটো সংলগ্ন কৰিহে বিদ্যালয়ৰ পৰিচয়-পত্ৰৰ বাবে আবেদন কৰাটো বাধ্যতামূলক।

# স্কুলবেগৰ ওজন সম্পৰ্কীয় নিৰ্দেশনা

আমাৰ বিদ্যালয়খনে প্ৰতিষ্ঠা কালতেই গ্ৰহণ কৰা এটা নীতি হ'ল শিক্ষাৰ্থীসকলৰ স্কুলবেগৰ ওজন শিক্ষাৰ্থীৰ বয়স অনুযায়ী নিৰ্ধাৰিত পৰিমাণত ৰখা আৰু অত্যধিক গৃহকৰ্মৰ বোজাৰ পৰা শিক্ষাৰ্থীক মুক্ত কৰি ৰখা। সেয়েহে স্কুলবেগৰ অতিৰিক্ত ওজন যাতে শিক্ষাৰ্থীসকলে কঢ়িয়াবলগীয়া নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি তলত উল্লেখ কৰা নিৰ্দেশনা পালন কৰিব লাগিব।

ক) বেগৰ আকাৰ অপ্ৰয়োজনীয়ভাৱে ডাঙৰ হ'ব নালাগে।

খ) দৈনিক পাঠদানৰ ৰুটিন অনুসৰি যিকেইটা বিষয়ৰ শ্ৰেণী থাকে, কেৱল সেই বিষয়কেইটাৰহে বহী একোখনকৈ বিদ্যালয়লৈ আনিব লাগে।

গ) পানীৰ বটলটো ৩০০/৪০০ মিলি. জোখৰ হ'ব লাগে। বিদ্যালয়ত যিহেতু খোৱা পানীৰ সুব্যৱস্থা আছে, ঘৰৰ পৰা অনা পানীখিনি শেষ হ'লে বিৰতিৰ সময়ত বটলত পানী ভৰাই ল'ব পাৰিব।

ঘ) টিফিন-বাকচৰ আকাৰ অপ্ৰয়োজনীয়ভাৱে ডাঙৰ হ'ব নালাগে।

ঙ) পেঞ্চিল-বাকচত প্ৰয়োজনতকৈ বেছি পেঞ্চিল, ৰং পেঞ্চিল, কলম ইত্যাদি ভৰাই আনিব নালাগে।

চ) প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ শিক্ষাৰ্থীসকলে গণিতৰ বাহিৰে আন কিতাপ বিদ্যালয়লৈ অনা-নিয়া কৰিব নালাগে। কিতাপসমূহ বিদ্যালয়তে তেওঁলোকৰ শ্ৰেণীকোঠাত ৰখা হ'ব। কিতাপসমূহত বকলা লগাই তাৰ ওপৰত শিক্ষাৰ্থীৰ নাম, শ্ৰেণী, শাখা, ৰোল নম্বৰ ইত্যাদি সন্নিৱিষ্ট লেবেল আঠা লগাই শ্ৰেণী শিক্ষক/শিক্ষয়িত্ৰীৰ হাতত জমা দিব লাগিব। জমা দিবলগীয়া কিতাপসমূহ হ'ল—

**প্ৰথম শ্ৰেণী :** আপোন পাঠ, আমি আৰু আমাৰ পৰিবেশ, মৌখিক আৰু বুদ্ধি পৰীক্ষা, English For Me-I

**দ্বিতীয় শ্ৰেণী :** আপোন পাঠ, আমি আৰু আমাৰ পৰিবেশ, মৌখিক আৰু বুদ্ধি পৰীক্ষা, English For Me-II

পৰীক্ষাৰ আগত আৰু দীঘলীয়া বন্ধৰ আগত কিতাপসমূহ ঘৰলৈ নিব পাৰিব। পৰীক্ষা/বন্ধ শেষ হোৱাৰ পিছত শ্ৰেণী আৰম্ভ হোৱাৰ প্ৰথম দিনা কিতাপসমূহ পুনৰ বিদ্যালয়ত জমা দিব লাগিব।

ছ) প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ ক্ষেত্ৰত বিদ্যালয়ত জমা দিয়া কিতাপসমূহৰ একোটাকৈ অতিৰিক্ত কপি (ঘৰত ৰাখিবৰ বাবে) অভিভাৱকে প্ৰয়োজন বুলি বিবেচনা কৰিলে বিদ্যালয়ৰ প্ৰৱেশদ্বাৰৰ ওচৰত থকা কিতাপ বিক্ৰী কাউণ্টাৰৰ পৰা সংগ্ৰহ কৰিব পাৰিব।

জ) তৃতীয় শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ শিক্ষাৰ্থীসকলে বিদ্যালয়লৈ কিতাপ আনিব নালাগে। বিশেষ প্ৰয়োজনত কিতাপ আনিবলগীয়া হ'লে শিক্ষক/শিক্ষয়িত্ৰীয়ে আগতীয়াকৈ জনাব।

# বিশেষ নিয়মাৱলী

## বিদ্যালয় চৌহদত পালন কৰিবলগীয়া

- ❖ পুৱা ৮:৩০ বজাৰ আগেয়ে সকলো ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয় চৌহদত প্ৰৱেশ কৰি পুৱাৰ সমাৱেশত নিৰ্দিষ্ট ধৰণেৰে শাৰীপাতি অসমৰ জাতীয় সংগীত গাব।
- ❖ বিদ্যালয়ৰ চৌহদত ছাত্ৰ-ছাত্ৰীসকল সম্পূৰ্ণৰূপে বিদ্যালয়খনৰ তত্ত্বাৱধানত থাকিব। অভিভাৱক বা অইন কোনোবাই কাৰোবাক লগ ধৰিব খুজিলে অধ্যক্ষ / অধ্যক্ষাৰ অনুমতি ল'ব লাগিব।
- ❖ চিনাকি বা কৰ্তৃত্বপ্ৰাপ্ত ব্যক্তিৰ বাহিৰে আনৰ হাতত শিক্ষাৰ্থীক বিদ্যালয়ৰ ছুটীৰ পিছত গতাই দিয়া নহ'ব।
- ❖ চৌহদৰ ভিতৰত সকলো ধৰণৰ উচ্ছৃঙ্খলতা কঠোৰ দৃষ্টিভংগীৰে চোৱা হ'ব।
- ❖ প্ৰতিটো শ্ৰেণীতে দুগৰাকী শ্ৰেণী প্ৰতিনিধি থাকিব। প্ৰতিনিধিজনে একোটা নিৰ্দিষ্ট সময়ৰ বাবে (১৫ টা কৰ্মদিন) কাৰ্য্যনিৰ্বাহ কৰিব। শ্ৰেণীটোৰ ছাত্ৰ-ছাত্ৰীসকল শ্ৰেণী প্ৰতিনিধিৰ নেতৃত্বত তেওঁলোকৰ স্তৰত পৰিচালিত হ'ব।

## প্ৰৱেশদ্বাৰৰ জনসম্পৰ্কৰক্ষী কোঠা

- ❖ **বিদ্যালয়লৈ অহা অভিভাৱক বা আন যিকোনো ব্যক্তিয়েই প্ৰৱেশদ্বাৰত থকা জনসম্পৰ্কৰক্ষী সহায়কক প্ৰথমতে লগ ধৰিব। জনসম্পৰ্কৰক্ষী সহায়কৰ অনুমতি তথা তত্ত্বাৱধানতহে বিদ্যালয় চৌহদৰ নিৰ্দিষ্ট ব্যক্তিক সাক্ষাৎ কৰিব পাৰিব।**

*বিশেষ পৰিস্থিতি সাপেক্ষে শৈক্ষিক দিনপঞ্জীৰ কিবা সাল-সলনি হ'লে সেয়া প্ৰয়োজনবোধে আগতীয়াকৈ জনোৱা হ'ব। বিদ্যালয়ৰ শৈক্ষিক দিনপঞ্জীখনকেই জাননী হিচাপেও গণ্য কৰা হৈছে। সেয়েহে অতি প্ৰয়োজনীয় আৰু জৰুৰী বুলি বিবেচিত নহ'লে দিনপঞ্জীত সন্নিবিষ্ট বিষয় সম্পৰ্কে সুকীয়াকৈ আন জাননী পঠিওৱা নহ'ব।*

### বিদ্যালয়ৰ টেলিফ'ন সেৱা

0361-2654229 (কাৰ্য্যালয়, উপাধ্যক্ষ আৰু অন্যান্য), 0361-2557921 (অধ্যক্ষ), 976025164 (উচ্চবৰ্গৰ সহায়ক), 0361-2654773 (বাছ সেৱা)।

- **অসম জাতীয় বিদ্যালয়ৰ ৱেবছাইট** www.assamjatiyabidyalay.com**ত মাহেকীয়া আলোচনী 'অন্বেষণ'ৰ লগতে শেহতীয়া খা-খবৰ নিয়মীয়াকৈ প্ৰকাশ কৰা হয়।**
- **অসম জাতীয় বিদ্যালয়ৰ ই-মেইল** : assamjatiyabidyalay@gmail.com

**শ্ৰীঘনশ্যাম মেধি**
*অধ্যক্ষ*

১ এপ্ৰিল, ২০২১ খ্ৰীষ্টাব্দ — অসম জাতীয় বিদ্যালয়, নুনমাটি, গুৱাহাটী ৭৮১০২০

# এপ্ৰিল, ২০২১

| | |
|---|---|
| ১, বৃহস্পতি | • ২০২১-২২ শিক্ষাবৰ্ষৰ নিয়মীয়া পাঠদান আৰম্ভ। |
| | • ১ তাৰিখৰ পৰা ২৪ তাৰিখলৈ অংকুৰ শ্ৰেণীৰ ছুটীৰ সময় ১০:৩০ বজা। অভিভাৱক-অভিভাৱিকাই ছুটীৰ পিছত শিশুসকলক লৈ যাব পাৰিব। |
| ২, শুক্ৰ | • অংকুৰ শ্ৰেণীৰ শিশুসকলৰ 'শিক্ষাৰ্থীৰ বিতং তথ্য'ৰ প্ৰপত্ৰ অভিভাৱকলৈ প্ৰেৰণ। |
| ৫, সোম | • বাৰ্ষিক সাহিত্য প্ৰতিযোগিতাৰ বিষয়বস্তু নিৰ্দিষ্টকৈ জাননীত উল্লেখ কৰি প্ৰতিগৰাকী শিক্ষাৰ্থীলৈ জাননীৰ একোটাকৈ কপি বিতৰণ। |
| | • বিদ্যালয়ৰ বিভিন্ন কাৰ্য্যসূচীৰ বাবে তত্ত্বাৱধায়ক শিক্ষক-শিক্ষয়িত্ৰীক একোগৰাকী আহ্বায়কৰ অধীনত দায়িত্ব অৰ্পণ। এনে কাম-কাজৰ বাবে প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰী সমানেই দায়বদ্ধ থাকিব। |
| ৬, মঙল | • অংকুৰ শ্ৰেণীৰ শিশুসকলৰ 'শিক্ষাৰ্থীৰ বিতং তথ্য' কিতাপ-পত্ৰৰ সৈতে প্ৰাক্-বিদ্যালয়ৰ শিক্ষয়িত্ৰীৰ ওচৰত অভিভাৱকসকলে জমা দিব। |
| ১০, শনি | • অংকুৰ শ্ৰেণীৰ বাহিৰে অন্যান্য শ্ৰেণীত নতুনকৈ নামভৰ্তি হোৱা শিক্ষাৰ্থীৰ অভিভাৱক-অভিভাৱিকাৰ সৈতে সভা। দিনৰ ১২:৩০ বজাৰ পৰা। |
| | • 'বাখৰ'ৰ সম্পাদনা সমিতি গঠন। (শিক্ষাৰ্থীসকলৰ মাজৰ পৰা) |
| ১২, সোম | • **সাহিত্য দিৱস উদ্‌যাপন**, পুৱা ১০:৩০ বজাৰ পৰা দুপৰীয়া ১:০০ বজালৈ। আন্তঃবিদ্যালয় সাহিত্য প্ৰতিযোগিতাৰ পুৰস্কাৰ বিতৰণ। অংকুৰ শ্ৰেণীৰ পৰা ৫ম শ্ৰেণীলৈ শ্ৰেণীসমূহ বন্ধ থাকিব। বাছ এৰিব দুপৰীয়া ১:৩০ বজাত। |
| | • প্ৰাচীৰ পত্ৰিকা উন্মোচন। |
| ১৪-১৮ | • ৰঙালী বিহুৰ বন্ধ। (শিক্ষাৰ্থী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে) |
| ১৪-১৭ | • ৰঙালী বিহুৰ বন্ধ। (কৰ্মচাৰীৰ বাবে) |
| ২৪, শনি | • প্ৰীতি ফুটবল খেল। |

| | | |
|---|---|---|
| ২৬, সোম | ● | পৰৱৰ্তী সংখ্যা বাখৰৰ বাবে লেখা বিচাৰি আবেদন। লেখা জমা দিয়াৰ শেষ তাৰিখঃ ২১ মে'। |
| ২৬-২৮, সোম-বুধ | ● | **বিদ্যালয়ৰ বাৰ্ষিক প্ৰতিযোগিতা।** (গীত, নৃত্য, সাহিত্য, তৰ্ক, কুইজ ইত্যাদি)। এইকেইদিন নিয়মীয়া পাঠদান বন্ধ থাকিব। |
| ২৬-২৯, সোম-বৃহ | ● | অংকুৰ, প্ৰাক্-প্ৰাথমিক শ্ৰেণীৰ পাঠদান বন্ধ থাকিব। শিক্ষয়িত্ৰীয়ে অংকুৰ শ্ৰেণীৰ শিশুৰ গৃহ-পৰিদৰ্শন কৰিব। |
| ৩০, শুক্ৰ | ● | অংকুৰ শ্ৰেণীৰ শিশুসকলৰ 'শিক্ষাৰ্থীৰ বিতং তথ্য'ৰ বিষয়ে পৰিচালনা সমিতিৰ সভাপতি, সচিব, অধ্যক্ষ, ৰেক্টৰ, শৈক্ষিক বিষয়াৰ লগত প্ৰাক্-বিদ্যালয়ৰ শিক্ষয়িত্ৰীসকলৰ আলোচনা। দুপৰীয়া ১২:৩০ বজা। |

# মে', ২০২১

| | | |
|---|---|---|
| ১, শনি | ● | মে' দিৱসৰ বন্ধ। |
| ৮, শনি | ● | সহ-পাঠ্যক্ৰম বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে পৰিচালনা সমিতিৰ সভাপতি, সচিব, অধ্যক্ষ, ৰেক্টৰ আৰু শৈক্ষিক বিষয়াৰ সভা। পুৱা ১০:৩০ বজাৰ পৰা। |
| ৯, দেও | ● | এজবেকৰ নীতি-নিৰ্দেশনাৰ আধাৰত প্ৰতিষ্ঠিত বিদ্যালয় -সমূহৰ একোগৰাকীকৈ প্ৰতিনিধিৰ অংশগ্ৰহণেৰে পুৱা ১০:০০ বজাৰ পৰা প্ৰতিনিধিত্বমূলক সভা। অংশগ্ৰহণকাৰীসকলে ৫ দিন আগতে ফ'ন কৰি জনাব। (একাংশ জিলাৰ) |
| ১৪, শুক্ৰ | ● | ঈদ-উল-ফিটৰৰ বন্ধ। |
| ১৫, শনি | ● | পৰিচালনা সমিতিৰ সভাপতি, সচিব, অধ্যক্ষ, ৰেক্টৰ আৰু শৈক্ষিক বিষয়াৰ লগত শিক্ষক-শিক্ষয়িত্ৰীৰ সভা। দুপৰীয়া ১২:৩০ বজা। |
| ১৬, দেও | ● | এজবেকৰ নীতি-নিৰ্দেশনাৰ আধাৰত প্ৰতিষ্ঠিত বিদ্যালয় -সমূহৰ একোগৰাকীকৈ প্ৰতিনিধিৰ অংশগ্ৰহণেৰে পুৱা ১০:০০ বজাৰ পৰা প্ৰতিনিধিত্বমূলক সভা। অংশগ্ৰহণকাৰীসকলে ৫ দিন আগতে ফ'ন কৰি জনাব। (আন একাংশ জিলাৰ) |
| ২১, শুক্ৰ | ● | সৰু সৰু গোটত ১০ম শ্ৰেণীৰ শিক্ষাৰ্থীৰ অভিভাৱকৰ লগত সভাৰ আৰম্ভণি। |
| | ● | বাখৰৰ লেখা জমা দিয়াৰ শেষ তাৰিখ। |
| ২২, শনি | ● | প্ৰদৰ্শনীমূলক তৰ্ক প্ৰতিযোগিতা। ষষ্ঠ শ্ৰেণীৰ পৰা দশম |

| | |
|---|---|
| | শ্ৰেণীলৈ। পুৱা ১০:৩০ বজাৰ পৰা বিয়লি ২:৩৫ বজালৈ। বাছ এৰিব বিয়লি ২:৪৫ বজাত। |
| ২৪,২৫,২৬, ২৭, ২৮ | ● **প্ৰথম গোট পৰীক্ষা (প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ)** (মুঠ মূল্যাংক : ২৫) পৰীক্ষা প্ৰথম পিৰিয়ডত অনুষ্ঠিত হ'ব। পৰীক্ষাৰ দিনকেইটাত ১০ মিনিটৰ বিৰতি প্ৰথম পিৰিয়ডৰ পিছতে হ'ব। দ্বিতীয় পিৰিয়ডৰ পৰা শ্ৰেণীসমূহ আকৌ নিয়মীয়াকৈ চলিব। |
| ২৬, বুধ | ● আন বিদ্যালয়সমূহৰ বাবে এজবেক শিক্ষক প্ৰশিক্ষণ সম্পৰ্কীয় জাননী ৱেবছাইটত প্ৰকাশ। |
| | ● পুথিভঁৰালৰ পৰিচয়-পত্ৰৰ নবীকৰণ। |
| ২৯, শনি | ● অংকুৰ, প্ৰাক্-প্ৰাথমিক, প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ সৈতে সভা। দুপৰীয়া ১২:৩০ বজা। |
| | ● বিশিষ্ট ব্যক্তিৰ সৈতে ৩য়-৫ম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ কথোপকথন। পুৱা ১০:৩০ বজাৰ পৰা দুপৰীয়া ১২:১৫ বজালৈ। বাছ এৰিব দুপৰীয়া ১২:৩০ বজাত। |

## জুন, ২০২১

| | |
|---|---|
| ১,২ | ● **প্ৰথম গোট পৰীক্ষা (প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ)** |
| ৫, শনি | ● প্ৰদৰ্শনীমূলক কুইজ প্ৰতিযোগিতা। ষষ্ঠৰ শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ বাবে। পুৱা ১০:৩০ বজাৰ পৰা দুপৰীয়া ১:৩০ বজালৈ। বাছ এৰিব দুপৰীয়া ২:০০ বজাত। |
| ৭, সোম | ● পৰিয়াল পৰিচয় ভ্ৰমণ আৰম্ভ (অংকুৰ শ্ৰেণীৰ বাহিৰে)। ৩১ আগষ্টৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগিব। |
| ৯-১১, বুধ-শুক্ৰ | ● নিৰ্ধাৰিত প্ৰপত্ৰৰ সহায়ত শিক্ষাৰ্থীৰ দ্বাৰা শিক্ষক-শিক্ষয়িত্ৰীৰ মূল্যায়ন। (ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ) |
| ১১, শুক্ৰ | ● প্ৰথম গোট পৰীক্ষাৰ উত্তৰ-বহী ঘূৰাই দিয়াৰ শেষ তাৰিখ। |
| ১২, শনি | ● তৃতীয়, চতুৰ্থ আৰু পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ সৈতে সভা। দুপৰীয়া ১২:৩০ বজাত। |
| | ● বিশিষ্ট ব্যক্তিৰ সৈতে ৬ষ্ঠ-৭ম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ কথোপকথন। পুৱা ১০:৩০ বজাৰ পৰা দুপৰীয়া ১২:১৫ বজালৈ। বাছ এৰিব দুপৰীয়া ১২:৩০ বজাত। |

| | |
|---|---|
| ২০, দেও | • **বিষ্ণু ৰাভা দিৱস উদ্‌যাপন**। প্ৰাচীৰ পত্ৰিকা উন্মোচন। পুৱা ৯:০০ বজাৰ পৰা ১১:০০ বজালৈ। বাছ এৰাৰ সময় পুৱা ১১:৩০ বজা। অংকুৰ শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ বন্ধ থাকিব। ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ শিক্ষাৰ্থী উপস্থিত থাকিব লাগিব। |
| ২৫,২৮,২৯,৩০, | • **দ্বিতীয় গোট পৰীক্ষা (প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ)** (মুঠ মূল্যাংক : ২৫) পৰীক্ষা প্ৰথম পিৰিয়ডত অনুষ্ঠিত হ'ব। পৰীক্ষাৰ দিনকেইটাত ১০ মিনিটৰ বিৰতি প্ৰথম পিৰিয়ডৰ পিছতে হ'ব। দ্বিতীয় পিৰিয়ডৰ পৰা শ্ৰেণীসমূহ আকৌ নিয়মীয়াকৈ চলিব। |
| ২৬-২৭ শনি-দেও | • **অভিজ্ঞান শিবিৰ**। (হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থী সকলৰ বাবে অনুষ্ঠান) |
| ২৭, দেও | • উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা শিক্ষাৰ্থীসকলৰ **অভিজ্ঞান সভা**। |

# জুলাই, ২০২১

| | |
|---|---|
| ১,২,৫ | • **দ্বিতীয় গোট পৰীক্ষা (প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ)** |
| ১, বৃহ | • যোৱা তিনি মাহত (এপ্ৰিল, মে, জুন) ৯০ শতাংশতকৈ কম উপস্থিতি থকা ছাত্ৰ-ছাত্ৰীৰ বিষয়ে শ্ৰেণী শিক্ষকৰ দ্বাৰা অভিভাৱকলৈ জাননী। |
| | • ছয়মাহিলি পৰীক্ষাৰ প্ৰশ্নকাকত বিভাগীয় মুৰব্বীৰ জৰিয়তে পৰীক্ষা নিয়ন্ত্ৰণ কক্ষত দাখিলৰ শেষ তাৰিখ। |
| ৩, শনি | • ষষ্ঠ আৰু সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ সৈতে সভা। দুপৰীয়া ১২:৩০ বজাৰ পৰা। |
| ৬, মঙল | • প্ৰথম দুটা পিৰিয়ডৰ শ্ৰেণীসমূহ অনুষ্ঠিত হ'ব। |
| | • অংকুৰ শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ গৰমৰ বন্ধ উপলক্ষে শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ মুকলি ভাব-বিনিময় পুৱা ১০:৩০ বজাৰ পৰা নিজৰ নিজৰ শ্ৰেণী কোঠাত আৰু ৬ষ্ঠ শ্ৰেণীৰ পৰা ১০ম শ্ৰেণীলৈ মুকলি ভাব-বিনিময় মুকলি মঞ্চত অনুষ্ঠিত হ'ব। একাদশ আৰু দ্বাদশ শ্ৰেণীৰ নিয়মীয়া পাঠদান চলি থাকিব। |

| | |
|---|---|
| | ছুটীৰ সময় পুৱা ১১:৫৫ বজা। বাছ এৰিব দুপৰীয়া ১২:১৫ বজাত। |
| | ● পৰিচালনা সমিতিৰ সভাপতি, সচিব, অধ্যক্ষ, ৰেক্টৰ আৰু শৈক্ষিক বিষয়াৰ সৈতে বিভাগীয় মুৰব্বী, আহ্বায়ক আৰু সমন্বয়কসকলৰ সভা। দুপৰীয়া ১২:৩০ বজাৰ পৰা। |
| ৭, বুধ | ● দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ সৈতে বিশেষ সভা। গ আৰু ঘ শাখা : পুৱা ১০:০০ বজাৰ পৰা ১১:০০ বজালৈ, ক আৰু খ শাখা : পুৱা ১১:৩০ বজাৰ পৰা দুপৰীয়া ১২:৩০ বজালৈ। |
| ৭-৩১ | ● গৰমৰ বন্ধ (শিক্ষাৰ্থীৰ বাবে)। |
| ২০-২৯ | ● কাৰ্য্যালয় বন্ধ। |
| ৮-১৩ বৃহস্পতি-মঙল | ● এজবেকৰ উদ্যোগত জাতীয় বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে কেন্দ্ৰীয়ভাৱে বিভিন্ন বিষয়ৰ প্ৰশিক্ষণ কাৰ্য্যসূচী। |
| ২১, বুধ | ● ঈদ-উজ্-জুহাৰ বন্ধ। |

## আগষ্ট , ২০২১

| | |
|---|---|
| ২, সোম | ● গৰমৰ বন্ধৰ পিছত শ্ৰেণী আৰম্ভ। |
| ৬, শুক্ৰ | ● দ্বিতীয় গোট পৰীক্ষাৰ উত্তৰ-বহী ঘূৰাই দিয়াৰ শেষ তাৰিখ। |
| ৭, শনি | ● বিশিষ্ট ব্যক্তিৰ সৈতে ৮ম শ্ৰেণীৰ পৰা ১০ম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ কথোপকথন। পুৱা ১০:৩০ বজাৰ পৰা দুপৰীয়া ১২:১৫ বজালৈ। বাছ এৰিব দুপৰীয়া ১২:৩০ বজাত। |
| | ● ৮ম আৰু ৯ম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ সৈতে সভা। দুপৰীয়া ১২:৩০ বজাত। |
| | ● প্ৰতিটো বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ দ্বাৰা ছয়মাহিলি পৰীক্ষাৰ প্ৰশ্নকাকতৰ পুনৰীক্ষণ। সহ-পাঠ্যক্ৰম বিষয়ৰ শ্ৰেণীসমূহ অনুষ্ঠিত হ'ব। আন শ্ৰেণীসমূহ বন্ধ থাকিব। |
| | ● ছয়মাহিলি পৰীক্ষাৰ সহ-পাঠ্যক্ৰম বিষয়ৰ প্ৰশ্নকাকতৰ পুনৰীক্ষণ। (তৃতীয় পিৰিয়ডৰ পৰা) |

| | | |
|---|---|---|
| ১২,১৩ বৃহস্পতি-শুক্র | ● | বিগত ২৮ ফেব্ৰুৱাৰীৰ বিজ্ঞান দিৱসৰ লগত সংগতি ৰাখি বিজ্ঞানভিত্তিক প্ৰতিযোগিতা আৰু প্ৰদৰ্শনীৰ প্ৰস্তুতি। ১২ তাৰিখে ৩য় পিৰিয়ডৰ পৰা পঞ্চম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ প্ৰস্তুতিৰ কাম আৰম্ভ হ'ব। ১৩ তাৰিখে পঞ্চম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ প্ৰথম পিৰিয়ডৰ পৰা প্ৰস্তুতিৰ কাম চলিব। |
| | ● | অংকুৰ শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ নিয়মীয়া পাঠদান হ'ব। |
| ১৪, শনি | ● | **বিজ্ঞানভিত্তিক প্ৰতিযোগিতা আৰু প্ৰদৰ্শনী।** আৰম্ভণি অনুষ্ঠান পুৱা ৯:০০ বজাত। কাৰ্য্যসূচীৰ সময় পুৱা ৯:৪৫ বজাৰ পৰা আবেলি ৩:০০ বজালৈ। ২:৩০ বজাৰ পৰা ৩:০০ বজালৈ আন্তঃবিদ্যালয় বিজ্ঞান প্ৰদৰ্শনীৰ বঁটা বিতৰণী অনুষ্ঠান। ছাত্ৰ-ছাত্ৰীসকলে নিয়মীয়া সময়তেই বিদ্যালয়লৈ আহি প্ৰথম এঘণ্টা সময় প্ৰদৰ্শনীৰ প্ৰস্তুতিৰ কাম কৰিব।<br>অংকুৰ শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ বন্ধ। অংকুৰ শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ ছাত্ৰ-ছাত্ৰীসকল অভিভাৱকৰ লগত বিজ্ঞান প্ৰদৰ্শনী চাবলৈ আহিব পাৰিব। বাছ এৰাৰ সময় আবেলি ৩:৩০ বজা। |
| ১৫, দেওঁ | ● | **স্বাধীনতা দিৱস।** পুৱা ৭:৩০ বজাত বিদ্যালয়ত ৰাষ্ট্ৰীয় পতাকা উত্তোলন। শিক্ষক-কৰ্মচাৰী, শিক্ষাৰ্থী, অভিভাৱক-সকলৰ উপস্থিতি বিশেষভাৱে বাঞ্ছনীয়। শিক্ষাৰ্থীসকলে বিদ্যালয়ৰ ইউনিফৰ্ম পিন্ধি আহিব। বাছ সেৱা থাকিব। নিয়মীয়া দিনতকৈ ১ ঘণ্টা আগতে নিৰ্ধাৰিত স্থানৰ পৰা বাছ এৰিব। বিদ্যালয়ৰ পৰা বাছ এৰাৰ সময় : পুৱা ৯:৩০ বজা। |
| | ● | ১০ম শ্ৰেণীৰ শিক্ষাৰ্থীৰ গৃহ-পৰিদৰ্শন। |
| ১৭, মঙল | ● | ৫ ছেপ্টেম্বৰত পাতিবলগীয়া শিক্ষক দিৱসৰ দায়িত্ব ল'বলৈ নৱম শ্ৰেণীক জাননী। অধ্যক্ষই নৱম শ্ৰেণীৰ শ্ৰেণী শিক্ষক-শিক্ষয়িত্ৰী চাৰিগৰাকীক তত্ত্বাৱধায়ক হিচাপে দায়িত্ব দিব। প্ৰস্তুতিৰ কাম পৰাপক্ষত বিৰতিৰ সময়ত আৰু শনিবাৰে পিছবেলা কৰিব যাতে পাঠদান ব্যাহত নহয়। |
| | ● | ৱেবছাইটত ছয়মাহিলি পৰীক্ষাৰ ৰুটিন প্ৰকাশ। |

| | |
|---|---|
